**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। আসন্ন অসম বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে ৮৮ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে।

২। বিজেপিয়ে কেইবাখনো ৰাজ্যত হ'বলগীয়া বিধানসভাৰ উপ-নিৰ্বাচনৰ বাবে আজি প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে।

৩। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ দেশৰ প্ৰতিৰক্ষা নিৰ্মাণ খণ্ডৰ গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে পৰিগণিত হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৪। উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে নৱ চম্‌ৰটচৰ, চৈত্ৰ শুক্লাদি, উগাদী, গুদি পৰ্ব, চেটি চন্দ, নৱৰেহ, চাজিবু চেইৰাওবাৰ লগতে চৈত্ৰ নৱৰাত্ৰী উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

আৰু

৫। অৰলেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি আয়ুষ চেট্টী জাপানৰ য়ুডাই অকিম'ট'ৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

আসন্ন অসম বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে আজি ৮৮ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। এই তালিকাত বহু কেইগৰাকী বিধায়কৰ প্ৰাৰ্থিত্ব কৰ্তন কৰা পৰিলক্ষিত হৈছে। দলৰ সভাপতি নীতিন নবীনৰ অধ্যক্ষতাত অনুষ্ঠিত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ সিদ্ধান্ত অনুসৰি জ্যেষ্ঠ বিজেপি নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জালুকবাৰীৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। বিজেপিত নতুনকৈ যোগদান কৰা প্ৰদ্যুৎ বৰদলৈক দিছপুৰ সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। লোকসভাৰ প্ৰাক্তন সাংসদ ডঃ ৰাজদীপ ৰয়ে শিলচৰৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে ৰাজ্যসভাৰ বৰ্তমানৰ সাংসদ ৰামেশ্বৰ তেলীয়ে দুলীয়াজানৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াব। বিজেপিৰ প্ৰাক্তন ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসে ভৱানীপুৰ-সৰভোগ সমষ্টিৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ সমান্তৰালকৈ বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে তামুলপুৰ সমষ্টিৰ পৰা নিৰ্বাচন খেলিব।

নিউ গুৱাহাটীত দিপ্লু ৰঞ্জন শৰ্মা, মধ্য গুৱাহাটীত বিজয় কুমাৰ গুপ্তা, ৰঙিয়াত ভবেশ কলিতা, নলবাৰীত জয়ন্ত মল্ল বৰুৱা, জাগীৰোডত পীযুষ হাজৰিকা, মৰিগাঁওত ৰমাকান্ত দেউৰী, নগাঁও বটদ্ৰৱাত ৰূপক শৰ্মা, নদুৱাৰত পদ্ম হাজৰিকা, মঙলদৈত নীলিমা দেৱী, বিহপুৰীয়াত ভূপেন বৰা, লখিমপুৰত মানৱ ডেকা, ঢকুৱাখনাত নব কুমাৰ দলে, ধেমাজিত ৰণোজ পেগু, ডিব্ৰুগড়ত প্ৰশান্ত ফুকন, টিংখঙত বিমল বৰা, নাহৰকটীয়াত তৰংগ গগৈ, ডিমৌত সুশান্ত বৰগোহাঁই, মাজুলীত ভূবন গাম যোৰহাটত হিতেন্দ্ৰ নাথ গোস্বামী, মৰিয়নিত ৰূপজ্যোতি কুৰ্মী, গোলাঘাটত অজন্তা নেওগ, খুমটাইত মৃণাল শইকীয়া, সৰুপথাৰত বিশ্বজিৎ ফুকন, ৰংখাঙত তুলিৰাম ৰংহাং, লক্ষীপুৰত কৌশিক ৰায়, পাথাৰকান্দিত কৃষ্ণেন্দু পাল, কাটিগড়াত কমলাক্ষ দে পুৰকায়স্থক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে পূৰ্বৰ পূব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য, দিছপুৰৰ বিধায়ক অতুল বৰা, বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰকে ধৰি আন কেইবাগৰাকী বিধায়কৰ নাম এই তালিকাৰ পৰা কৰ্তন কৰা হৈছে।

০০০০০০০০০

বিজেপিয়ে কেইবাখনো ৰাজ্যত হ'বলগীয়া বিধানসভাৰ উপ-নিৰ্বাচনৰ বাবে আজি প্ৰাৰ্থী তালিকা ঘোষণা কৰিছে। দলে জনোৱা মতে গোৱাৰ প'ণ্ডা বিধানসভা আসনৰ বাবে ৰিতেশ ৰবি নায়কে প্ৰাৰ্থিত্ব আগবঢ়াইছে। নাগালেণ্ডৰ কৰিদাং অনুসূচিত জনজাতি সমষ্টিৰ পৰা ডাউচিয়েৰ আই ইমচেনে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কৰ্ণাটকৰ বাগালকোট সমষ্টিত বিৰাভদ্ৰায়া চৰণ্টিমাথ আৰু দেৱনাগৰী দক্ষিণ বিধানসভা সমষ্টিত শ্ৰীনিবাস টি দাসাকাৰিয়াপ্পাক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। একেদৰে ত্ৰিপুৰাৰ ধৰ্মনগৰ বিধানসভা সমষ্টিৰ বাবে জহৰ চক্ৰৱৰ্তীক বিজেপিৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰা হৈছে। বিজেপিৰ সভাপতি নীতিন নবীনৰ অধ্যক্ষতাত কালি অনুষ্ঠিত দলৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ বৈঠকত এই সিদ্ধান্ত লোৱা হয়। বৈঠকত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু সমিতিৰ অন্যান্য সদস্যসকল উপস্থিত থাকে।

০০০০০০০০

ভাৰতীয় জনতা পাৰ্টিয়ে কেৰালাম বিধানসভা নিৰ্বাচনৰ বাবে ৩৯ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত দ্বিতীয়খন তালিকা প্ৰকাশ কৰিছে। ৰাজ্যিক বিজেপিৰ প্ৰাক্তন মুৰববী কুম্মানম ৰাজশেখৰণে আৰানমুলা আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। দলটোৰ হৈ কাচাৰ্গোৰ সমষ্টিৰ পৰা অশ্বিনী এম এল, কোণগড়ৰ পৰা ৰেণু সুৰেশ আৰু চাংগানা চেৰিৰ পৰা বি ৰাধাকৃষ্ণ মেননে প্ৰতিদ্বন্দ্বিতা কৰিব। নতুন দিল্লীত কালি আয়োজিত বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিৰ বৈঠকত এই প্ৰাৰ্থীসকলক বাচনি কৰা হয়। উল্লেখযোগ্য যে, দলটোৱে কেৰালাম বিধানসভা নিৰ্বাচনৰ বাবে ৪৭ গৰাকী প্ৰাৰ্থীৰ নাম সম্বলিত প্ৰথমখন তালিকা চলিত সপ্তাহৰ আৰম্ভণিতে প্ৰকাশ কৰিছিল। কেৰালামত অহা ৯ এপ্ৰিলত একেটা পৰ্যায়তে বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০০০

অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহ দেশৰ প্ৰতিৰক্ষা নিৰ্মাণ খণ্ডৰ গুৰুত্বপূৰ্ণ স্তম্ভ হিচাপে পৰিগণিত হৈছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা উদ্যোগ সন্মিলনত ভাষণ দি শ্ৰী সিঙে কয়, যে ভাৰতৰ প্ৰযুক্তিগত সামৰ্থ আৰু ৰাষ্ট্ৰীয় অৰ্থনীতিলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱাৰ ক্ষেত্ৰত থলুৱা উদ্যোগী, ষ্টাৰ্টআপ আৰু উদ্ভাৱকসকলে বিশেষ ভূমিকা পালন কৰিছে। তেওঁ লগতে কয়, যে ভালেমান ক্ষুদ্ৰ, অতি ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগে কৃত্ৰিম বুদ্ধিমত্তা, অট'মেচন, ৰবটিক্স আৰু অন্যান্য উন্নত প্ৰযুক্তি ক্ষেত্ৰত সক্ৰিয়ভাৱে কাম কৰি আছে।

(বাইট)

কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰতিৰক্ষা উৎকৃষ্টতা মঞ্চৰ বাবে উদ্ভাৱনৰ প্ৰয়োজনীয়তাত আলোকপাত কৰি কয়, যে ই ষ্টাৰ্টআপ আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহক সশস্ত্ৰ বাহিনীৰ বাবে উদ্ভাৱনমূলক সমাধান উলিওৱাত সহায় কৰে। এইক্ষেত্ৰত থকা প'ৰ্টেলে উদ্ভাৱক আৰু উদ্যোগীসমূহক প্ৰত্যক্ষভাৱে প্ৰতিৰক্ষা খণ্ডলৈ অৰিহণা যোগোৱাত সুযোগ প্ৰদান কৰে বুলি শ্ৰী সিঙে উল্লেখ কৰে।

০০০০০০০০০

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে নৱ চম্ৰটচৰ, চৈত্ৰ শুক্লাদি, উগাদী, গুদি পৰ্ব, চেটি চন্দ, নৱৰেহ, চাজিবু চেইৰাওবাৰ লগতে চৈত্ৰ নৱৰাত্ৰী উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে দেশৰ বিভিন্ন প্ৰান্তত উদযাপিত এই পৰ্বসমূহে

পৰম্পৰাগত নৱ বৰ্ষৰ আৰম্ভণিৰ উপৰি বসন্তৰ আগমণক প্ৰতিফলিত কৰিছে। এই পৰ্বসমূহে নতুন আৰম্ভণি চিহ্নিত কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ জৰিয়তে দেশৰ বৈচিত্ৰৰ মাজৰ ঐক্য তথা সাংস্কৃতিক ঐচৰ্য্য প্ৰতিফলিত হৈছে। এই পৰ্বসমূহে সকলোৰে জীৱনলৈ নতুন আশা, সমৃদ্ধি আৰু সুখ কঢ়িয়াই আনিব বুলি তেওঁ আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও এই পৰ্বসমূহ উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীগৰাকীয়ে সকলোৰে জীৱনলৈ সুখ, সৌভাগ্য, সমৃদ্ধি আৰু সু-স্বাস্থ্যৰ আগমণৰ কামনা কৰে। এই পৰ্বসমূহে পৰম্পৰাগত নৱ বৰ্ষৰ আগমণ প্ৰতিফলিত কৰে বুলি উল্লেখ কৰি তেওঁ কয় যে এই সময়ে সকলো নতুন কৰি ইতিবাচক সুযোগ কঢ়িয়াই আনিব।

ooooooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি অযোধ্যাৰ ৰাম মন্দিৰ দৰ্শন কৰি পূজা-অৰ্চনা আগবঢ়ায়। তিনিদিনীয়া ভ্ৰমণসূচীৰে উত্তৰ প্ৰদেশলৈ যোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে বিশেষ আধ্যাত্মিক কাৰ্যসূচীৰ অংশ হিচাপে আজি ১৫০ কিলোগ্ৰাম ওজনৰ সোণপানী চৰোৱা শ্ৰীৰাম যন্ত্ৰ স্থাপনা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। বৈদিক গণিতৰ আধাৰত নিৰ্মাণ কৰা এই যন্ত্ৰই ইতিবাচক আধ্যাত্মিক শক্তি উৎপন্ন কৰাৰ লগতে প্ৰভু ৰামৰ দৈৱিক উপস্থিতিকো চিহ্নিত কৰিব।

ইয়াৰ পাছত তেওঁ মথুৰা বৃন্দাবনলৈ ৰাওনা হ’ব আৰু তাত তেওঁ কেইবাটাও কাৰ্যসূচীত অংশ ল’ব।

oooooooo

জ্যেষ্ঠ কূটনৈতিক বিষয়া ৰিক্ৰম ড’ৰাইস্বামীক চীনৰ নতুন ভাৰতীয় ৰাষ্ট্ৰদূত হিচাপে নিযুক্তি দিয়া হৈছে। ১৯৯২ বেটচৰ ভাৰতীয় বৈদেশিক সেৱা বিষয়া শ্ৰী ড’ৰাইস্বামীয়ে সদ্যহতে ব্ৰিটেইনৰ ভাৰতীয় উচ্চায়ুক্ত হিচাপে দায়িত্ব পালন কৰি আছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই সন্দৰ্ভত কৰা ঘোষণা অনুসৰি শ্ৰীড’ৰাইস্বামীয়ে শীঘ্ৰেই চীনৰ ৰাষ্ট্ৰদূত হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিব।

ooooooooo

জম্মুৰ ৰাজৌৰি পুঞ্চ জিলা আৰু কাশ্মীৰৰ চফিয়ান জিলা সংযোগী ঐতিহাসিক মুগল ৰোড নামে খ্যাত ৰাষ্ট্ৰীয় ঘাইপথটো আজি চতুৰ্থ দিন পৰ্যন্ত তুষাৰপাতৰ বাবে বন্ধ ৰখা হৈছে। আকাশবাণীৰ জম্মুৰ সংবাদদাতাই জনোৱা অনুসৰি পীৰ কি গলী অঞ্চলত হোৱা বৰযুণ আৰু পীৰ পঞ্জল অঞ্চলৰ উজনি এলেকাসমূহত হোৱা অবিৰত তুষাৰপাতৰ পৰিপ্ৰেক্ষিতত পৰৱৰ্তী জাননি নিদিয়া পৰ্যন্ত এই পথেৰে যাতায়ত বন্ধ থাকিব। অৱশ্যে পুঞ্চ জিলাৰ সকলো মুখ্য পথত যাতায়ত অব্যাহত আছে। ইতিমধ্যে সীমান্ত পথ সংস্থাই বাছহ্‌লী-বাণী ভাদেৰৱাহ পথত বৰফসমূহ আঁতৰ কৰি আছে। চেনাব উপত্যকা আৰু কঠোৱা জিলাৰ মাজৰ যোগাযোগ বিচ্ছিন্ন হৈছে।

ooooooooo

ফ্ৰান্সত অনুষ্ঠিত অৰলেন্স মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত আজি আয়ুষ চেট্টী জাপানৰ য়ুডাই অকিম’ট’ৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। আয়ুষ চেট্টীয়ে কালি এখন খেলত কিৰণ জৰ্জক ১৭-২১, ২১-১০, ২১-১৭ গেমত পৰাস্ত কৰি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে। মহিলাৰ ছিংগলছত আজি অনমোল খাৰ্ব তন্বী শৰ্মাৰ বিৰুদ্ধে অৱতীৰ্ণ হোৱাৰ বিপৰীতে মালবিকা বান্সোড় মালয়েছিয়াৰ ৰং লিং চিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। ঈষাৰাণী বৰুৱাই আজি প্ৰি-কোৱাৰ্টাৰ ফাইনেলত কানাডাৰ ৰেন ইউ ঝেঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

পুৰুষৰ ডাবলছত ভাৰতৰ অৰ্জুন মাডাথিল ৰামচন্দ্রন আৰু হৰিহৰণ আমছাকৰুণানৰ যুটীটোৱে প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

সমাপ্ত